Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ৭

ভাৰতীয় সংস্কৃতি

অংশ - ৩

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতীয় উচ্চাংগ সংগীত দাক্ষিণাত্যৰ ভাস্কর্য কলাৰ দৰেই গাম্ভীর্যপূর্ণ আৰু বিচিত্র। উত্তৰ ভাৰতৰ সংগীতে এটা নতুন বস্তু আমাৰ চকুত পেলায়।

গাম্ভীর্যৰ লগত ঠায়ে ঠায়ে এই সংগীতত আমি এক উৰণীয়া ভাবৰ সংযোগ দেখিবলৈ পাওঁ। ইয়াকেই সুৰ-বস্তুৰ ওপৰত লোক-সংগীতৰ প্রভাৱ বুলিব পাৰি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাধাৰণতে সকলো আৰ্টৰ মূলতে দুটা বিপৰীত পন্থাই কাম কৰা দেখা যায়। এটাৰ উদ্দেশ্য কাৰু- কার্য আৰু জাক-জমকতাৰ সৃষ্টি; আনটোৰ উদ্দেশ্য সংযম আৰু আড়ম্বৰহীনতা। এটাই বাহ্যিক আৰু দৃষ্টি-মুখৰ আড়ম্বৰৰ জৰিয়তে প্ৰকাশ বিচাৰে; আনটোৱে আমাক অন্তৰ আত্মা-স্পর্শ কৰি অভিভূত কৰে। প্ৰথমটোৱে প্ৰায়েই বিৰাট পটভূমিৰ অৱতাৰণা কৰে; দ্বিতীয়টোৱে নকৰে। প্ৰথমটোৰ বহির্জাগতিক বিস্তৃতি আছে, দ্বিতীয়টোৰ নাই।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বুৰঞ্জীয়ে কয়-মুছলিম আৰু হিন্দুৰ প্ৰথম সংঘৰ্ষই হিন্দুৰ মনত পোনতে বিপ্লৱৰ সৃষ্টি কৰিছিল। অৱশেষত বিপ্লৱৰ পতনে তেওঁলোকৰ মনত নৈৰাশ্যৰ জন্ম দিছিল। এই নৈৰাশ্যই ক্ৰমাৎ জীৱনৰ প্ৰতি উদাসীনতাৰ সৃষ্টি কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই কাৰণেই স্বাভাৱিকতে হিন্দুৰ মনে বাস্তৱ জগতৰ কথা পাহৰি আত্মাৰ জগতলৈ গমন কৰিছিল। গতিকেই এনে এক পটভূমিত আধ্যাত্মিকতাৰ সমাদৰ বাঢ়িছিল। ইয়াৰ পৰিণতি ইমান সংকীৰ্ণ স্তৰলৈ অধোগামী হৈছিল যে আনকি হিন্দুৰ অভিযান, ৰাজ্যবিস্তাৰ, যুদ্ধ জয় ইত্যাদি কাহিনীও সাধু কথালে ৰূপান্তৰিত হৈছিল। ইয়াতোকৈ সৰহ গুৰুত্ব এইবোৰক দিয়া হোৱা নাছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বৰ্তমানৰ হতাশা আৰু পৰাজয়ৰ কাহিনী ঢাকি ৰাখিবলৈ ভৱিষ্যতৰ অনাগত স্বপ্ন ৰাজ্য গঢ়া হৈছিল। এনেদৰেই অতীন্দ্রিয়বাদ আৰু আধ্যাত্মিকতাৰ মোহজালে বাস্তৱ জীৱনৰ হৰা-জিকাৰ কথা তল পেলাইছিল। আধ্যাত্মিকতাবাদে আনহাতে প্ৰাক্-মুছলিম যুগৰ হিন্দু সমাজৰ ওপৰত এটা সুকীয়া প্ৰভাৱ বিস্তাৰ কৰিছিল। পৰম পুৰুষৰ ধ্যানে মানুহক সামাজিক অসামঞ্জস্যৰ কথাৰ পৰা আঁতৰাই ৰাখিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পদদলিত সৰ্বসাধাৰণে অদৃষ্টৰ ওপৰত আস্থা ৰাখি জীৱনৰ সকলো গ্লানি স্বীকাৰ কৰি লৈছিল। এনেদৰে মনে গঢ়া জন সমাজৰ ওপৰত পুৰোহিত আৰু সামন্ত শ্ৰেণীৰ প্ৰভাৱ কম নাছিল। পণ্ডিত ৰাহুল সংকৃত্যায়নে ইয়াৰ আঁতি-গুৰি মাৰি বৰ্ণনা দিছে। সমাজৰ অত্যাচাৰ উৎপীড়নৰ বিপক্ষে জনসাধাৰণে কিয় মূৰ দাঙি উঠা নাছিল, ইয়াৰ উঁহ বিচাৰি সৰহ দূৰ যাব নালাগে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰত্যেক জীৱ পৰমব্ৰহ্মৰ সৃষ্টি। পৰমব্ৰহ্ম অসীম, অনন্ত; স্থান-কাল সকলোৰে অতীত। জগতখন মায়া-মৰীচিকা। জীৱনটো মাথোন এটা মুহূৰ্তৰ অভিযান। অভিযান শেষ হ'লে মায়াৰ শেষ হ'ব, ইত্যাদি এনে ধৰণৰ চিন্তা-ধাৰাই বৈপ্লৱিক শক্তি নিস্তেজ কৰিছিল। জীৱনৰ ওপৰত যাৰ আস্থা নাই বিপ্লৱৰ ওপৰতো তাৰ আস্থা নাই।

ইছলামৰ সংঘাতে আমাৰ আধ্যাত্মিকতাৰ ধমনি কঁপাই তুলিছিল। পার্থিব আৰু অপার্থিব দুয়োটাৰ ওপৰত ইছলামৰ আস্থা প্ৰায় সমান।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিছু পৰিমাণে ইছলামে সামাজিক গণতন্ত্ৰৰ জন্ম দিছিল। ই অনিশ্চিত ভৱিষ্যতৰ বস্তু নহয়। এনে চিন্তাধাৰাই সামাজিক বান্ধোন ছিঙি পেলাইছিল। সমাজৰ দৰিদ্ৰ, পদদলিত জনতাই ইয়াৰ জৰিয়তে মুক্তিৰ সন্ধান পাইছিল। সামাজিক জীৱনত ব্যক্তিৰ মুক্তি বাণীয়ে ইছলাম ধৰ্মৰ প্ৰচাৰ দ্ৰুত কৰি তুলিছিল। ভাৰত ভূমিত ইছলামৰ খৰতকীয়া প্ৰচাৰৰ ইয়ো এটা কাৰণ। সাহিত্য-সম্পদৰ পিনৰ পৰা ভাৰতীয় সংস্কৃতি বিশেষভাৱে চহকী।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সাধাৰণতে পুৰণি সাহিত্য ভক্তিমূলক আছিল। ই আধ্যাত্মিক চিন্তাধাৰাৰ পিনৰ পৰা সমৃদ্ধিশালী। ইও সমাজৰ বিশেষ এটা স্তৰৰ কথা কয়। পাঠান আৰু মোগল সাম্রাজ্যৰ অধীনত বংগদেশীয় কাব্য-সাহিত্যই যথেষ্ট উৎকর্ষ লাভ কৰিছিল। সেইদৰে মহাৰাষ্ট্ৰৰ ভক্তিমূলক কাব্য-সাহিত্যৰো সৌৰভ বিশ্বজনীন। কবিৰ আৰু সেই সময়ৰ বৈষ্ণৱ সাহিত্যিকসকলৰ দৃষ্টিৰ সমকক্ষ সাহিত্য আজিও বিৰল। তুলসী দাসৰ 'ৰামায়ণ',

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

শংকৰদেৱৰ 'কীর্তন', মাধৱদেৱৰ 'নামঘোষা' ইত্যাদি জাতিৰ আপুৰুগীয়া সম্পদ। ব্রিটিছৰ আমোলত ভাৰতীয় সাহিত্যৰ বৈচিত্র্য বাঢ়িছিল। নতুন প্রকাশভঙ্গী, সামাজিক শক্তিকেন্দ্রী সাহিত্য ইত্যাদিৰ আৱির্ভাৱ হৈছিল। সাহিত্য বিশ্বাত্মিকাৰ পৰশত পূৰঠ আৰু সৌষ্ঠৱপূর্ণ হৈছিল। নিজৰ মাটিৰ পৰা উঘাল খাই নপৰাকৈ বিশ্বৰ ৰ'দৰ ৰেঙনি গ্রহণ কৰিব পৰাটোৱেই হৈছে ভাৰতীয় সাহিত্য-জীৱনৰ বৈশিষ্ট্য।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আৰ্টসমূহৰ ভিতৰত ভাস্কৰ্য-কলাই হৈছে সমাজৰ সৌন্দৰ্যবোধৰ ওপৰত বেছি নিৰ্ভৰশীল। কবিয়ে ব্যক্তিগত ভাব-তৰংগত উটি-বুৰি ফুৰিব পাৰে। চিত্রকৰে নিৰলত সপোন ৰচি সম্পূৰ্ণতা লভিব পাৰে। ভাস্কৰ্য শিল্পীয়েহে কৰল সমূহীয়া প্রচেষ্টা আৰু সামাজিক ভাৱ-ধাৰাৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিব লাগে। বহুতৰ সংযোগতহে ভাস্কৰ্য-কলা গঢ়ি উঠা সম্ভৱ। গতিকে প্রত্যেকজন সহযোগীৰ কম- বেছি পৰিমাণে শিল্পবোধ থকা উচিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ইউৰোপৰ গ'থিক গীৰ্জাসমূহ, দাক্ষিণাত্যৰ শিলৰ মন্দিৰবোৰ, ছাৰাছেনসকলৰ মছজিদবোৰ, এই সকলোখিনি এক সংঘবদ্ধ শান্তিপূৰ্ণ সমাজৰ দান। শিল্প-সৃষ্টিৰ ক্ষেত্ৰত সমাজ-জীৱনৰ দায়িত্ব কম নহয়। ইয়াৰ লগতে সামাজিক পৰিৱেশৰ দায়িত্বও আছে।

নতুন যুগৰ ভাৰতীয় সংস্কৃতি সমন্বয়ৰ বস্তু হ'ব লাগে বুলি গান্ধীজীয়ে মত প্ৰকাশ কৰিছিল। লগে লগে অতীজৰ যিখিনি সৎ আৰু সত্য বুলি

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সম্যক দৃষ্টিকোণৰ পৰা স্বীকৃত হৈছে, তাৰে বৰ্তমানৰ সংস্কৃতিৰ ভেটি বান্ধিবলৈ চেষ্টা কৰাটো উচিত হ'ব। ইয়াকে কাৰ্যত পৰিণত কৰিবলৈ হ'লে ভাস্কৰ্য কলাৰ দৰেই নতুন সংস্কৃতি যে সমূহীয়া জীৱনৰ সম্পদ হ'ব লাগিব-সেই বিষয়ে অকণো সন্দেহ নাই। ই হ'ব সমন্বয়ৰ বস্তু, জনসাধাৰণৰ বাছকবনীয়া সম্পত্তি, স্থান আৰু কালজয়ী শিল্প প্ৰচেষ্টা জীউলাও।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লেখক - পৰিচিতি

হেম বৰুৱা (১৯১৫-১৯৭৭) :

জন্ম তেজপুৰত। ১৯৩২ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা, ১৯৩৪ চনত কটন কলেজৰ পৰা আই. এ. আৰু ১৯৩৬ চনত বি. এ. পাছ কৰি ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ. পাছ কৰে। ১৯৪০ চনত যোৰহাট কলেজত অধ্যাপনাৰে চাকৰি জীৱন আৰম্ভ কৰা বৰুৱাদেৱে ১৯৪৪ চনত গুৱাহাটীৰ ভোলা বৰুৱা কলেজৰ অধ্যক্ষ হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আধুনিক কবিতাৰ পথ-প্রদর্শক বৰুৱাদেৱৰ ৰচনাসমূহ হ'ল: 'বালিছন্দা' 'মনময়ূৰী' 'আধুনিক সাহিত্য' 'এই গাঁও এই গীত' 'ৰঙা কৰবীৰ ফুল' 'ইজৰাইল' 'The Red River and Blue Hill' ইত্যাদি। ইয়াৰ উপৰি তেওঁ 'জনতা' আৰু 'পছোৱা' আলোচনী সম্পাদনা কৰিছিল। ১৯৭২ চনত ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনৰ সভাপতি আছিল। তেওঁ আছিল সুবক্তা আৰু কৃতী সাংসদ।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। ভাৰতীয় সংস্কৃতিৰ প্ৰাণ কি?

সমবৰ্তমান শক্তি

Under CSR Support by ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





২। _____ যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো






২। বৌদ্ধ ধৰ্মৰ প্ৰচাৰ যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩।শিৱ আৰু শক্তি পূজাৰ মূল মহেঞ্জোদাৰো ত আৱিষ্কাৰ হৈছিল।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো





৩।শিৱ আৰু শক্তি পূজাৰ মূল মহেঞ্জোদাৰোত আৱিষ্কাৰ হৈছিল।